চিগাৰেটৰ ধোঁৱাৰ মাজত তিনিমূৰ্ত্তিৰ চিন্তামগ্ন মুখকেখন অদ্ভুত দেখা গৈছিল। নীৰৱ কোঠাটোৰ ভিতৰত তিনি মূৰ্ত্তিয়ে এক বেলেগ পৰিবেশৰ সৃষ্টি কৰিছিল। কোঠাটোৰ নীৰৱ আৱহাৱাৰ মাজত এটা থমথমীয়া ভাবে বিৰাজ কৰিছিল ক্ষন্তেকৰ বাবে। ক্ষন্তেকৰ বাবে কোঠাটো জয়াল কৰি তুলিছিল। এটা সময়ত তিনি প্ৰস্তৰ মূৰ্ত্তিৰ এজনে যেন প্ৰাণ পালে। গাটো অলপ লৰচৰ কৰি মৌজাদাৰ বিনোদ চৌধুৰীয়ে কলে, "সৌৱা তেখেত আহিছে।" হঠাৎ নেত্ৰযুগল যিমানপাৰে বিস্ফাৰিত কৰি অধীৰ আগ্ৰহেৰে বাকী দুজনে নঙলাৰ ফালে দৃষ্টি পেলালে। এজনী ছোৱালী। বয়স, আনুমানিক বাইশ-তেইশ, লগত এজন যোল-সোতৰ বছৰীয়া ল'ৰাবে সৈতে মৌজাদাৰৰ চ'ৰাঘৰৰ অভিমুখে ধীৰ অথচ দৃঢ় পদক্ষেপেৰে আহি আছে।

ছোৱালীজনীয়ে দুৱাৰমুখত থিয় হৈ তিনিওজনক দেখি অলপ অপ্ৰস্তুত হ'ল। পিছমুহূৰ্ত্ততে সেই ভাব আঁতৰাই প্ৰথমে মৌজাদাৰ আৰু তাৰ পাচত বাকী দুজনক নমস্কাৰ দিলে। প্ৰতিনমস্কাৰ জনাই মৌজাদাৰে ক'লে, "বহক, মিচ্ বৈৰাগী।" কিঞ্চিৎ প্ৰফুল্ল হৈ আৰু ক্ষন্তেক ইতস্তত: কৰি দুয়ো দুখন চকীত বহিল। ছোৱালীজনীৰ প্ৰসাধনৰ মৃদু সৌৰভে অলপ সময়ৰ বাবে দুয়োৰে মনত এক অনামি মাদকতাৰ সৃষ্টি কৰিলে।

ক্ষন্তেক নীৰৱতাৰ পাচত মৌজাদাৰে চিনাকি কৰি দিলে—"মিচ্ বৈৰাগী। এই দুজন মোৰ বন্ধু। এখেত স্থানীয় হস্পিতেলৰ ডাক্তৰ, বিমান বৰুৱা। (ডাক্তৰে 'টাইৰ' গাঁঠিটো অলপ ওপৰলৈ ঠেলি দি পোন হৈ চকীত বহিল)। আৰু এখেত বংশীবদন ডেকা, ঠিকাদাৰ (ঠিকাদাৰে হিন্দী বোলছবিৰ অভিনেতা প্ৰাণক অনুকৰণ কৰি এটা বিশেষ ভঙ্গিমাৰে চিগাৰেটটোত এটা হোপা মাৰিলে)। আৰু আপোনালোকক মই যে কালি কৈছিলোঁ, এখেতেই সেই মিচ্ কুঁৱলী বৈৰাগী।" বাকী তিনিজনে পুনৰ নমস্কাৰ বিনিময় কৰিলে।

এইবাৰ চুপ্ৰিম কোৰ্টৰ সৰ্ব্বোচ্চ ন্যায়াধীশৰ গাম্ভীৰ্য্যৰে মৌজাদাৰে কলে, "এতিয়া আপোনাৰ বক্তব্য আৰম্ভ কৰক মিচ্ বৈৰাগী। এখেতসকল মোৰ অন্তৰঙ্গ বন্ধু। গতিকে এখেতসকলে শুনিলে আপোনাৰ উপকাৰৰ বাহিৰে অপকাৰ মঠেই নহয় বুলি জানিব।"

কুঁৱলীয়ে কিছুপৰ মনেমনে থাকি আৰম্ভ কৰিলে, "ধন্যবাদ। কিন্তু এটা কথা আগতে কৈ থওঁ, আপোনালোক মোতকৈ বয়সত যথেষ্ট ডাঙৰ। গতিকে মোক তুমি বুলি সম্বোধন কৰিলে ভাল পাম। মোৰ কবলগীয়া বিশেষ একো নাই। মোৱা কালিতো আপোনাক সকলোবোৰ কৈছোঁৱেই। সেইবাবে এখেতসকলক সংক্ষেপে কৈ থওঁ" বুলি কিছুপৰ মৌন হৈ থাকি পুনৰ আৰম্ভ কৰিলে, "মোৰ নামটো জানেই। মই এইবাৰ বি-এ পাছ কৰিছোঁ। আপোনালোকৰ গাৱঁত নতুনকৈ স্থাপিত হোৱা ছোৱালী হাইস্কুলখনৰ কথা শুনি পোনেই ইয়ালৈ আহিছোঁ। আপোনালোকে তাত মোক সুমুৱাই দিলে বৰ উপকাৰ কৰা হব। লগতে যদি থকা ঘৰ এটাৰো ব্যৱস্থা কৰি দিয়ে, তেনেহলে নথৈ সুখী হ'ম। এইজনেই মোৰ একমাত্ৰ ভাই। হাইস্কুলৰ দশমমান শ্ৰেণীত পঢ়ি আছে। ইয়াৰ বাহিৰে মোৰ আপোন বুলিবলৈ আন কোনো নাই। চহৰৰ পৰা মই ইয়ালৈ কিয় আহিলোঁ, কি উদ্দেশ্য লৈ ইয়াতে থাকিব খুজিছোঁ, সেয়া মোৰ সম্পূৰ্ণ ব্যক্তিগত কথা। আপোনালোকে মোক সেই বিষয়ে একো প্ৰশ্ন নকৰিলেই বৰ সন্তোষ পাম।

কুঁৱলী বৈৰাগীৰ কথা শেষ হোৱাৰ পাচত কোনেও একো নকলে। এক ভয়াবহ নিস্তব্ধতাই কোঠাটোক গ্ৰাস কৰি পেলালে।

মৌজাদাৰৰ বয়স ত্ৰিশ। এককথাত কবলৈ হলে মানুহজন ভাল। অলপ গম্ভীৰ। সুন্দৰ চেহেৰা। বিবাহিত। বিয়া কৰাবৰ বৰ বেছিদিন হোৱা নাই। অলপতে ল'ৰা এটা হৈছে। মৌজাদাৰে কুঁৱলী বৈৰাগীৰ কথাখিনি মনোযোগেৰে সৈতে

শুনিলে। তেওঁ অনুমান কৰিলে, ছোৱালীজনী হয়তো দুখীয়া। কিবা বিপদত পৰিহে ইয়ালৈ আহিছে। তেওঁৰ অলপ দুখ লাগিল। সহানুভূতিত তেওঁৰ মন আৰ্দ্ৰ হৈ উঠিল। যিয়েই নহওঁক উপযুক্ত যেন দেখিলে চাকৰি এটা দিয়াব পাৰি। কাৰণ নকৈ স্থাপিত হোৱা হাইস্কুলখনৰ চেক্ৰেটাৰী তেওঁ নিজেই। গতিকে তেওঁৰ সন্মতিত কাৰো আপত্তিৰ থল নাথাকে। ঘৰৰ বাবেও বৰ বিশেষ একো চিন্তা নাই। তেওঁৰ এনেয়ে পৰি থকা কোঠালি দুটা এৰি দিলেই হ'ল। জিন্তৰ মাকেও লগৰী এজনী পাব। ছোৱালীজনীক দেখি মায়া উপজিছে।

ডাক্তৰ বৰুৱা ডেকা লৰা। বয়স প্ৰায় সাতাইশ। এতিয়াও বিয়া কৰোৱা নাই। হস্পিটেলৰ গাভৰু নাৰ্চবোৰৰ লগত প্ৰয়োজনতকৈ অলপ বেছিকৈ কথা পাতি ভাল পায়। হাইস্কুলৰ মেনেজিং কমিটিৰ অন্যতম মেম্বাৰ। কুঁৱলী বৈৰাগীৰ মুখৰফালে কিছুপৰ চাই থাকি তেওঁৰ ভাব হ'ল স্বচ্ছ পানীত জোনাক নিশা প্ৰতিবিম্বিত হোৱা তৰাৰ দৰে উজ্জ্বল....। এক অজান আনন্দত তেওঁৰ মনটো ভৰি পৰিল। ছোৱালীজনীয়ে গাৱঁতে থাকিবলৈ বিচৰা দেখি তেওঁৰ আনন্দৰ মাত্ৰা আৰু বাঢ়িল। অনুমান হ'ল ছোৱালীজনী বেছ স্মাৰ্ট, বুদ্ধিমতীও, তদুপৰি নিৰ্ভীক। গাৱঁলীয়া ছোৱালীৰ দৰে লাজকুৰীয়া অথবা ভয়াতুৰা নহয়।

বংশীবদন ডেকা আদবয়সীয়া মানুহ। বিবাহিত। ব্যৱসায়ৰ সকলো তলানলা তেওঁৰ নখদৰ্পণত। পৃথিবীৰ সকলোবোৰ বস্তুকে তেওঁ ব্যৱসায়ী দৃষ্টিভঙ্গীৰেহে জোখ কৰে। মানুহজন অলপ বেছি চৌখীন। চৰিত্ৰ বোলা বস্তুটো তেওঁৰ ব্যোমকেশ তালুৰ পৰা, ঢোল পেটটোৰ কথাই নকওঁ, একো চটা ইটা সদৃশ প্ৰকাণ্ড ভৰিৰ পটা দুখনলৈকে কতো বিচাৰি পোৱা নাযায়। অতিপাত কামাতুৰ, মদপী। কামনা চৰিতাৰ্থ কৰিবলৈ য'তে ত'তে যোৱা কাৰণে সম্প্ৰতি যৌন-ব্যাধিত আক্ৰান্ত হৈছে। এই ঠিকাদাৰে স্কুলৰ মেনেজিং কমিটিৰ অন্যতম প্ৰধান মেম্বাৰ। স্কুলঘৰ নিৰ্ম্মাণ কৰাৰ সময়ত মোটা অৰ্থসাহাৰ্য্য আগবঢ়াইছে। এটা বিশেষ ভঙ্গীত এটা চকু মুদি চিগাৰেটটোত হোপা এটা মাৰি তেওঁ আনটো চকুৰে কুঁৱলীক ভালকৈ নিৰীক্ষণ কৰিয়েই যিটো বুজিব লাগে বুজিলে। তেওঁৰ অইন নহলেও টকা আছে। টকাৰ বশ নহয় কোন? তাতে চহৰৰ ছোৱালী। ইপিনে বোলে নাবালক ভায়েকৰ বাহিৰে কোনো নাই।

বেছ কিছুসময় ধৰি বিৰক্তিকৰ নিস্তব্ধতাত অলপ অতিষ্ঠ হৈ কুঁৱলীয়ে আটাই কেউজনৰ ফালে একোবাৰ চাই বিনয় মিহলি মাতেৰে সুধিলে, "মোৰ কথাত আপোনালোকৰ বিশ্বাস হোৱা নাই নেকি? যদি কিবা আপত্তি আছে ব্যক্ত কৰিলেই মই ভাল পাম।

পলকতে তিনিও মূৰ্ত্তি সপ্ৰতিভ হৈ উঠিল। তিনিওজনে তিনিওৰে মুখৰ ফালে একোবাৰ চোৰাচুই কৰি নিজ নিজ উদ্দেশ্য সন্মুখত ৰাখি একে আষাৰে তিনিওজনে ক'লে, "আমাৰ একো আপত্তি নাই।"

# ভাৰতীয় টকাৰ মূল্যহ্রাস

অধ্যাপক নগেন্দ্ৰ চন্দ্ৰ ঠাকুৰীয়া

এখন দেশৰ মুদ্ৰা প্ৰধানতঃ সেই দেশৰ ভিতৰতেই কিনা-বেচা বা সম্পাদনৰ বাবেহে ব্যৱহাৰ কৰা হয়। কিন্তু যেতিয়া আমি নিজ দেশৰ বাহিৰৰ মানুহৰ লগত বয়-বস্তু কিনা-বেচা কৰো তেতিয়া তেওঁলোকে আমাৰ ভাৰতীয় টকা গ্ৰহণ নকৰে। তেতিয়া সেই সম্পাদনৰ বন্দোবস্ত সোণ নাইবা আন্তৰ্জাতিক মানৰ (Standard international unit) লগত সম্বন্ধ থকা কোনো মানৰ লগত স্থিৰ কৰিব লাগে। গতিকে আজি যদি আমি গ্ৰেট বৃটেইনৰ পৰা যিকোনো বয়-বস্তু কিনো তেতিয়াহলে সেইবোৰ বয়-বস্তুৰ দাম পাউণ্ডৰ মানেৰেহে কৰিব লাগিব। সেইদৰে আমি যদি বিদেশত মালবস্তু বিক্ৰী কৰো তেতিয়াও আমাৰ বস্তুৰ মূল্য ডোলাৰ (Dollar) ফ্ৰাঙ্ক (Franc) বা ৰোবুল (Rowbble) ইত্যাদি হিচাবত নিৰ্দ্ধাৰিত হ'ব। প্ৰায়বোৰ দেশতেই এনেকুৱা সম্পাদনবোৰ চৰকাৰী বিনিময় হাৰত (official rate of exchange) মীমাংসিত হয়। এই বিনিময় হাৰ (exchange rate) দেশবিলাকৰ মাজত শিল্প, বাণিজ্যৰ উন্নতিৰ কাৰণে অত্যাৱশ্যকীয়।

১৯৪৯ চনৰ পৰা ভাৰতৰ বিনিময় হাৰ আছিল—টকা ৪·৭৬ = ১ ডোলাৰ, আৰু টকা ১৩·৩৩ = ১ পাউণ্ড। এই বিনিময় হাৰ বহুত কাৰণৰ বাবে সলনা-সলনি হৈ থাকে। ভাৰত চৰকাৰে যোৱা ১৯৬৬ চনৰ ৬ জুন তাৰিখে ভাৰতীয় সমমূল্য হাৰ (Par value of the rupee) ১ ডোলাৰৰ বাবে টকা ৪·৭৬ৰ পৰা টকা ৭·৫০ লৈ; আৰু ১ পাউণ্ডৰ বাবে টকা ১৩·৩৩ৰ পৰা টকা ২১·০০ লৈ পৰিবৰ্ত্তন কৰিছে। আৰু ইয়াকে আমি 'মূল্য-হ্রাস' (Devaluation) বুলি কৈছো। আচলতে 'মূল্যহ্রাস' বুলিলে আমি আন্তৰ্জাতিক বজাৰত ভাৰতীয় টকাৰ সমমূল্য (par value) হাৰৰ পৰিবৰ্ত্তন হোৱাকে নাইবা ভাৰতীয় টকাৰ চৰকাৰী মূল্য ইয়াৰ প্ৰকৃত আৰু স্বাভাৱিক বা অন্তৰ্নিহিত মূল্যৰ লগত সম্বন্ধ ৰাখি সমমূল্যলৈ অনাকেই বুজো। ১৯৪৯ চনত ভাৰত চৰকাৰে ষ্টাৰ্লিংৰ (Sterling) মূল্যহ্রাস অনুকৰণ কৰিয়েই ভাৰতীয় টকাৰ মূল্যও হ্রাস কৰিছিল। সেই সময়ত অৱশ্যে ভাৰতীয় অৰ্থনীতিয়ে মূল্যহ্রাসৰ পৰীক্ষামূলক ফলাফল ভালদৰে প্ৰতিৰোধ কৰিছিল। তাৰ পৰৱৰ্ত্তী বছৰবোৰত জাতীয় উৎপাদন ভালদৰে বৃদ্ধি হৈছিল। বৃটেইন, ফ্ৰান্স, জুগোশ্লাভেকীয়া, গ্ৰীচ ইত্যাদি দেশবোৰে যেতিয়া তেওঁলোকৰ প্ৰচলিত মুদ্ৰাৰ মূল্যহ্রাস কৰে, তেতিয়া তেওঁলোকৰ ৰপ্তানি আৰু অৰ্থনীতিৰ যথেষ্ট উন্নতি হৈছিল। কিন্তু মূল্যহ্রাস কৰা সত্বেও ইন্দোনেচীয়

অৰ্থনীতিৰ কোনো উন্নতি সাধন হোৱা নাছিল। অৱশ্যে তাৰ একমাত্ৰ কাৰণ তেওঁলোকৰ সামৰিক বিভাগত হোৱা প্ৰচুৰ খৰছ আৰু অনা-উৎপাদন-মূলক খৰছৰ স্ফীতি-প্ৰৱণতা (inflationary tendency)

ভাৰত চৰকাৰৰ মতে, ১৯৬৬ চনৰ ৬ জুন তাৰিখে মুদ্ৰাৰ 'মূল্যহ্ৰাস' সিদ্ধান্তটো ভাৰতৰ বাবে সম্পূৰ্ণৰূপে আৱশ্যকীয়। চৰকাৰে এনে সিদ্ধান্ত লোৱাৰ বহুতো কাৰণ থকা বুলি ব্যাখ্যা কৰা হৈছে।

যোৱা কেইবছৰমান ধৰি ভাৰতীয় মুদ্ৰা নানান সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। বস্তুৰ মানত আমাৰ টকাৰ মূল্য বহুত কমি গৈছে। ভাৰতত প্ৰয়োজনীয় সামগ্ৰীৰ মূল্য শতকৰা প্ৰায় ৮০ গুণে বাঢ়ি গৈছে। এই দাম বৃদ্ধিয়ে টকাৰ দেশীয় (internal) আৰু বিদেশীয় (external) মূল্যৰ মাজত এটা কৃত্ৰিম ব্যৱধান সৃষ্টি কৰিছে। আনহাতে যিবিলাক দেশৰ লগত ভাৰতৰ বৈদেশিক বাণিজ্যৰ আদান-প্ৰদান আছে, সেই দেশসমূহত বস্তুৰ দাম সিমান বৃদ্ধি হোৱা নাই। সেইগতিকে আমাৰ দেশে ৰপ্তানি কৰা মাল-বস্তুবোৰে বিদেশত এটা ভীষণ সন্ধিক্ষণৰ সন্মুখীনো হবলগা হৈছে।

তাৰোপৰি আজি কিছুমান বছৰ ধৰি ভাৰতে বৈদেশিক বিনিময় (Foreign exchange) মুদ্ৰাৰ অনাটনত পৰি আছে। ইয়াৰ বাবেই টকাৰ মানত বস্তুৰ দাম বহুতগুণে বাঢ়ি গৈছে; আৰু সেইগতিকেই হংকঙৰ বজাৰত মাৰ্কিন মুদ্ৰা ১ ডোলাৰ ভাৰতীয় ১০ টকাত বিক্ৰী হৈছে অথবা ১ পাউণ্ড ২৫ টকাৰ পৰা ৩০ টকাৰ ভিতৰত বিক্ৰী হৈছে। এই সকলো সময়তে ভাৰত চৰকাৰে আমাৰ টকাৰ চৰকাৰী হাৰ (official rate) ১ ডোলাৰ = ৪.৭৬ টকা আৰু ১ পাউণ্ড = ১৩.৩০ টকা হিচাবে ৰাখিবলৈ চেষ্টা কৰিছিল। এইটোৱেই ৰপ্তানি আৰু আমদানি কৰা লোকসকলক বহুত অসৎ আচৰণ কৰিবলৈ প্ৰশ্ৰয় দিছে আৰু তাৰ বাবেই আজি আমাৰ দেশত বিদেশী বস্তুৰ চোৰাং কাৰবাৰেৰে ভৰি পৰিছে। আমদানি বস্তুৰ ওপৰত চোৰাং বজাৰে ব্যৱসায়ী মহলত লাভখোৰ আৰু চৰকাৰী মহলত দুৰ্নীতি সৃষ্টি কৰা বুলি জনসাধাৰণেও অভিমত প্ৰকাশ কৰিছে।

ভাৰতীয় মুদ্ৰাৰ মূল্যহ্ৰাস কৰাৰ আৰু এটা কাৰণ আছে। ভাৰতত মূল্যবৃদ্ধি হোৱা বাবে বৈদেশিক বজাৰত ভাৰতীয় ৰপ্তানি বিক্ৰী কৰাত এটা ডাঙৰ প্ৰতিবন্ধক হোৱা দেখা গৈছে। যিবিলাক বয়-বস্তু ভাৰতে ৰপ্তানি কৰে সেইবোৰ দেশৰ বাহিৰত সহজে বজাৰ ধৰিব নোৱাৰে। আনহাতে যিবিলাক মালবস্তু আমাৰ দেশে বিদেশৰ পৰা আমদানি কৰে সেই বস্তুবোৰ আমাৰ দেশীয় বজাৰত বহুত কম দামতে পোৱা যায়; আৰু সেইবাবে আমাৰ দেশত বিদেশী বস্তুৰ আমদানিও প্ৰচুৰ। ইয়াৰ একমাত্ৰ প্ৰতিকাৰ হৈছে আভ্যন্তৰীণ দামৰ সমতা স্থিৰ কৰা। বহুতৰ মতে যিকোনো 'মুদ্ৰাৰ মূল্যহ্ৰাস' এটা ডাঙৰ প্ৰতিবিধানৰ উপায়। ই আমাক বৈদেশিক বাণিজ্যত যথেষ্ট সহায় কৰিব। আকৌ আমাৰ দেশলৈ আমদানি নিৰুৎসাহ কৰিব। তাৰোপৰি টকাৰ মূল্যহ্ৰাসে আমাৰ দেশত বিদেশী ধন লগ্নীকৰণত (investment) যথেষ্ট আকৰ্ষণো কৰিব আৰু আন্তৰ্জাতিক বজাৰত আমাৰ দেশীয় বস্তু ৰপ্তানি কৰিবলৈ উৎসাহ দিব। ভাৰত চৰকাৰে পঞ্চবাৰ্ষিক পৰিকল্পনাবোৰ হাতত লোৱাৰে পৰা আমি দেশৰ অৰ্থনৈতিক উন্নতিৰ বাবে বিদেশী ধনৰ (Foreign capital) ওপৰত যথেষ্ট নিৰ্ভৰ কৰি আহিছো। আমি যে অকল বিদেশী ধনৰ ওপৰতেই নিৰ্ভৰশীল এনে নহয়, আমি প্ৰচুৰ উৎপাদনৰ বাবেও বিদেশৰ পৰা কেঁচামাল আৰু তাৰ উপাংশ বা অৱয়ৱ (components) আনিবলৈও বাধ্য। এই আটাইবোৰ কাৰণৰ বাবেই চৰকাৰে ভাৰতীয় টকাৰ মূল্য হ্ৰাস কৰিবলৈ বাধ্য হৈছে।

টকাৰ এই মূল্য হ্ৰাসৰ বাবে যে আমি সদায় ভাল ফলেই পাম তাক সঠিককৈ কোৱা টান। আগতে কৈ অহাৰ দৰে আমদানি বস্তুবোৰৰ দাম আৰু আমদানি কৰা কেঁচামালেৰে উৎপাদিত বস্তুবোৰৰ দাম আমাৰ দেশত বহুত বাঢ়ি গৈছে। তাৰ লগে লগে মুনাফাখোৰ বিলাকে এই ৰীতিবদ্ধ দাম বৃদ্ধিৰ

সুবিধা বাকৈয়ে লৈ আছে। আৰু সেয়েই নহয় আমাৰ দেশৰ ৰপ্তানি যে বাঢ়িব সিও সম্পূর্ণ সন্দেহজনক। কাৰণ এইকথা নির্ভৰ কৰিব আমাৰ মালবস্তু বা সামগ্ৰীৰ বাবে বিদেশী দেশবোৰৰ প্ৰয়োজনীয়তাৰ ওপৰত। আমি জানো ব্ৰাজিল, বৃটেইন আৰু ইন্দোনেছীয়াত মুদ্ৰাৰ মূল্যহ্ৰাসে সেই দেশবোৰত অৰ্থনৈতিক উন্নতিৰ কোনো পৰিবৰ্ত্তন সাধন কৰিব নোৱাৰিলে।

এই মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰাৰ কৰ্ম্মক্ষমতা নিৰ্ভৰ কৰিব গোটেই দেশতে নিতান্ত দুখীয়া জনসাধাৰণৰ মাজত সামগ্ৰীবোৰ সমভাবে বিতৰণ কৰা ক্ষমতাৰ ওপৰতহে। অৱশ্যে খুচুৰা (retail) দোকানবোৰে এই নিয়ন্ত্ৰণ কৰিব পাৰিব, যদিহে প্ৰচুৰ পৰিমাণে যোগান একেবাৰে আহি থাকে। ভাৰতীয় টকাৰ মূল্যহ্ৰাসৰ সিদ্ধান্তই অন্যান্য ৰাজনৈতিক আৰু অৰ্থনৈতিক মহলৰ উপৰিও কংগ্ৰেছ সংসদীদলৰ সভ্যসকলৰ মাজতেই নানান সন্দেহ আৰু বিৰোধ ভাবৰ সৃষ্টি কৰিছে। বহুতৰ মতে ভাৰতৰ অৰ্থ নৈতিক উন্নয়নৰ বাবে এই মূল্যহ্ৰাসৰ সিদ্ধান্ত হেঙাৰ স্বৰূপ। অৱশ্যে যোৱা ৬ জুনত কৰা টকাৰ মূল্যহ্ৰাস চৰকাৰৰ মতে এটা স্বীকৃত তথ্য (accepted fact)। কিন্তু ভাৰত চৰকাৰে কোৱাৰ দৰে আমি ইয়াৰ ফলাফলৰ বাবে সন্মুখীন হব লাগিব, তাৰ ভাল ফলবোৰ বাচি বাচি গ্ৰহণ কৰিব লাগিব আৰু তাৰ বেয়া ফলবোৰ যথাসাধ্য ক্ৰমে কমাব লাগিব। বহুতো অৰ্থনীতিবিদৰ মতে তলৰ পৰিস্থিতিবোৰৰ ওপৰতহে যিকোনো দেশৰ মুদ্ৰাৰ মূল্যহ্ৰাসৰ ভাল ফল নিৰ্ভৰ কৰে। যেনে—

(ক) আভ্যন্তৰিণ শৃঙ্খল।
(খ) মুদ্ৰাস্ফীতি প্ৰতিবোধ-ব্যৱস্থা
(গ) কৃষি আৰু শিল্পৰ প্ৰচুৰ উৎপাদন।

গতিকে সামগ্ৰীৰ দাম যাতে উৰ্দ্ধহাৰত বাঢ়ি নেযায় তাৰবাবে প্ৰত্যেক নাগৰিকেই তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব। জাতীয় বিৰোধী ব্যৱসায়ী লোক সকলৰ বিৰুদ্ধে চৰকাৰে গুৰুতৰ ব্যৱস্থা লব লাগিব। জনসাধাৰণেও অনাগতিয়াল আৰু বিলাসী বস্তু কিনাৰ পৰা নিবৃত্ত থকা উচিত। অস্বাভাৱিক দামবৃদ্ধি বাধা দিবলৈ গোটেই দেশতে আৱশ্যকীয় সামগ্ৰীৰ যোগান ধৰিবলৈ 'গ্ৰাহক সমবায়' সংগঠন কৰিব লাগিব। সেইদৰে কাৰখানাৰ মালিক সকলক তেওঁলোকৰ তৈয়াৰী বস্তুৰ ওপৰত যথাযোগ্য 'খুচুৰা-দৰ' নিৰ্দ্ধাৰিত কৰিবলৈ অনুৰোধ কৰা উচিত আৰু চৰকাৰে অনুমোদন কৰা ব্যৱসায়ী আৰু খুচুৰা দোকানবোৰত সেইবোৰ বস্তু চৰকাৰে ধৰি দিয়া স্থিৰ (fixed) দামত বিক্ৰী কৰিবলৈ দিয়া উচিত। ইয়াৰ উপৰিও আমাৰ বৈদেশিক বিনিময় মুদ্ৰাৰ (Foreign exchange) আৱশ্যকীয়তা যাতে কমাব পৰা যায় তাৰবাবে আমদানি নিয়ন্ত্ৰণ আৰু চৰকাৰী খৰচ আদি হ্ৰাস কৰাৰ ব্যৱস্থাদি গ্ৰহণ কৰা উচিত। ইয়াৰ উপৰিও দেশত চাহপাত, মৰাপাট, লো, তীখা, চেনি ইত্যাদি বস্তুবোৰৰ উৎপাদন যাতে দুগুণে বৃদ্ধি কৰিব পৰা যায় তাৰবাবে চৰকাৰ, কাৰখানাৰ মালিকসকল আৰু জনসাধাৰণে নতুন নতুন উপায় অৱলম্বন আৰু ব্যৱস্থা গ্ৰহণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিব লাগিব।

# সত্য আৰু সুন্দৰ

**ৰবীন্দ্ৰনাথ ঠাকুৰ**

মনেৰেই কেবল আমি এই জখতখনক জানিছো। এই জনা দুই প্ৰকাৰ। বিষয়ক জনা যায় জ্ঞানেৰে। এই জনাত জ্ঞাতা থাকে পাছফালে আৰু জ্ঞেয় থাকে লক্ষ্য ৰূপে তাৰ সন্মুখত। দ্বিতীয়তে ভাবৰে নিজকে জনা যায়, ইয়াত বিষয়টো থাকে উপলক্ষ্য ৰূপে আৰু সেয়ে নিজৰ লগত মিলি যায়।

বিষয়ক জানিবৰ কাৰণে আছে বিজ্ঞান। এই জনাৰ পৰা নিজৰ ব্যক্তিত্বক আঁতৰাই ৰখাৰ সাধনাই বিজ্ঞানৰ। মানুহে নিজকে চোৱাৰ কাৰণে আছে সাহিত্য। সাহিত্যৰ সত্যতা মানুহৰ আত্ম-উপলব্ধিত-হে, বিষয়ৰ যথাৰ্থত নহয়। ই লাগিলে অদ্ভুতেই হওক বা অতথ্যই হওক, তাত কোনো ক্ষতি নাই। আনকি, যদি উপলব্ধি নিবিড় হয় তেনে সেই অদ্ভুত বা অতথ্যকো সাহিত্যত সত্য বুলি মানি লোৱা হয়। বাল্যকালৰ পৰাই মানুহ নানাভাবে নিজ উপলব্ধিৰ ক্ষুধাত ক্ষুধিত, ৰূপকথাৰ উদ্ভব ইয়াৰপৰাই। কল্পনাৰ জগতত মানুহে বিচিত্ৰভাবে আত্মপ্ৰকাশ কৰিবলৈ বিচাৰে। এনে কৰিবলৈ যাওতে তেওঁ, কেতিয়াবা হয় ৰাম কেতিয়াবা আকৌ হনুমান। আচলতে ঠিকমতে কিবা এটা হব পৰাতেই তেওঁৰ সন্তুষ্টি। তেওঁৰ মন গছৰ লগত গছ হয়, নদীৰ লগত নদী হয়। মনটোৱে কৰবাত মিলিবলৈ বিচাৰে। মিলনতেই আনন্দ। মানুহৰ নিজক লৈ এই বৈচিত্ৰৰ লীলাই হ'ল সাহিত্যৰ কাম। এই লীলাৰ মাজত সুন্দৰো আছে, অসুন্দৰো আছে।

এদিন নিশ্চিতভাবে স্থিৰ কৰি পেলাইছিলো যে সৌন্দৰ্য্য ৰচনাই সাহিত্যৰ প্ৰধান কাম। কিন্তু মোৰ এই মতৰ লগত সাহিত্য আৰু আৰ্টৰ অভিজ্ঞতাক একেলগ কৰিব নোৱাৰি মনটোত অত্যন্ত খেলি-মেলি লাগি পৰিছিল।

তেতিয়া ভাব হ'ল, ইমান দিন যিটো কথা ওলোটাকৈ বুজিছিলো সেইটো সহজকৈ কোৱা ভাল হব। কলোহেতেন, সুন্দৰে আনন্দ দিয়ে; সেয়ে সাহিত্যত সুন্দৰক লৈয়ে কাৰবাৰ। মুঠতে যি আনন্দ দিয়ে, মনে তাকেই সুন্দৰ বোলে, আৰু সেয়ে সাহিত্যৰ সামগ্ৰী। সাহিত্যত কেনেকৈ এই সৌন্দৰ্য্য-বোধ জগোৱা হয় সি গৌণ কথা, নিবিড় বোধৰ দ্বাৰাই এই সুন্দৰৰ প্ৰমাণ হয়। তাক কোনোবাই সুন্দৰ বোলক বা নোবোলক তাত কোনো ক্ষতি নাই, পৃথিবীত অনেক উপেক্ষিতৰ মাজত মনে তাকেই অঙ্গীকাৰ কৰি লয়।

সাহিত্যৰ বাহিৰত এই সুন্দৰৰ ক্ষেত্ৰ সংকীৰ্ণ তাত প্ৰাণতত্বৰ অধিকৃত মানুহক অনিষ্টকৰ একোতেই আনন্দ নিদিয়ে। সাহিত্যত দিয়ে, নহলে ওথেলো নাটকক কোনেও চুব নোৱাৰিলেহেতেন। এই প্ৰশ্নই মোক উদ্‌বেজিত কৰিছিল যে সাহিত্যত দুঃখকৰ কাহিনীয়ে কিয় আনন্দ দিয়ে আৰু সেইকাৰণে কিয় তাক সৌন্দৰ্য্যৰ কোঠাত স্থান দিয়া হয়।

উত্তৰ পালো। চাৰিওফালে ৰসহীনতাৰ মাজত আমাৰ চৈতন্য যেতিয়া সাৰে নেথাকে তেতিয়া সেই অস্পষ্টতা দুঃখকৰ। তেতিয়া আত্মোপলব্ধি ম্লান। মই যে মই, এইটো য'তেই ভালদৰে উপলব্ধি কৰা হয় ত'তেই আনন্দ পোৱা যায়। তেতিয়া আমাৰ

সন্মুখত এনে কিছু থাকে যাৰ সম্বন্ধে উদাসীন নহও, যাৰ উপলব্ধিয়ে আমাৰ চৈতন্যক উদবোধিত কৰি ৰাখে, তাৰ আস্বাদনত আমি নিজকে নিবিড় ভাবে পাওঁ। এইটোৰ অভাৱতে আছে অৱসাদ। বস্তুত: মন যিমানে নাস্তিকতাৰ ফালে ঢাল খায়, সিমানে দুখ বাঢ়ে।

দুখৰ তীব্ৰ উপলব্ধিও আনন্দকৰ, কাৰণ ই নিবিড় অস্মিতাসূচক; কেৱল অনিষ্টৰ আশংকা আহিহে বাধা দিয়ে। সেই আশংকা নথকাহলে দুখক সুন্দৰ বুলি কলোহেতেন। দুখে আমাক স্পষ্ট কৰি তোলে, নিজৰ ওচৰত নিজকে অস্পষ্ট কৰি নেৰাখে। গভীৰ দুখ ভুমা। ট্ৰেজেদীৰ মাজত সেই ভূমা আছে, সেই ভূমৈৰ সুখম। মানুহে বাস্তৱ জগতত ভয়-দুখ-বিপদ এইবিলাকৰ পৰা সততে আঁতৰত থাকিবলৈ বিচাৰে; অথচ নিজৰ অভিজ্ঞতাক প্ৰৱল আৰু প্ৰসাৰিত কৰিবৰ কাৰণে এইবোৰ নেপালে তেওঁৰ স্বভাৱ বঞ্চিত হয়। মানুহৰ স্বভাৱগত এই প্ৰয়োজনটো তেওঁ উপভোগ কৰে সাহিত্য বা আৰ্টত। ইয়াকে কোৱা হয় লীলা, কল্পনাৰ মাজত নিজৰ অবিমিশ্ৰ উপলব্ধি। মানুহে মনৰ আনন্দত ৰাম-লীলা চাবলৈ যায়, যদি লীলা নহয় তেতিয়া দুখত বুকু ফাটি পৰে।

এই কথাটো যিদিনা স্পষ্ট কৰি বুজি পালো সেইদিনা কবি কীটচৰ বাণী মনত পৰিল: Truth is beauty, beauty truth অৰ্থাৎ যি সত্যক আমি 'হৃদা মনীষা মনসা' উপলব্ধি কৰো সেয়ে সুন্দৰ। তাৰ মাজতে আমি নিজক পাওঁ। এই কথাকেই যাজ্ঞবল্ক্যই কৈছিল যে যি কোনো প্ৰিয় বস্তুৰ মাজত আমি নিজকে সত্য ৰূপত পাওঁ বুলিয়েই সি প্ৰিয়, সেয়ে সুন্দৰো।

মানুহে নিজৰ এই প্ৰিয় ক্ষেত্ৰত অৰ্থাৎ নিজৰ সুস্পষ্ট উপলব্ধিৰ ক্ষেত্ৰক সাহিত্যৰ মাজত প্ৰতিদিন বিস্তীৰ্ণ কৰিছে। মানুহৰ বাধাহীন বিচিত্ৰ বৃহৎ লীলাৰ জগতেই হ'ল সাহিত্য।

সৃষ্টিকৰ্ত্তাক আমাৰ শাস্ত্ৰত কোৱা হৈছে লীলাময়। অৰ্থাৎ তেওঁ আপোন সৃষ্টিৰ মাজত নিজৰ ৰসবিচিত্ৰৰ পৰিচয় পাইছে। মানুহেও নিজৰ মাজতে নিজকে সৃষ্টি কৰোতে নানাভাৱ আৰু নানা ৰসৰ মাজত নিজকে বিচাৰি পাইছে। মানুহো লীলাময়। সাহিত্য আৰু আৰ্টত মানুহৰ এই লীলাৰ ইতিহাস লিখিত আৰু অঙ্কিত হৈছে।

ইংৰাজীত যাক real বুলি কোৱা হয় সাহিত্য বা আৰ্টত সেইটো হৈছে,—যাক মানুহে নিজৰ অন্তৰৰ পৰা অব্যৱহিতভাবে স্বীকাৰ কৰিবলৈ বাধ্য। তৰ্ক বা প্ৰমাণৰ দ্বাৰা এই স্বীকাৰোক্তি নহয়; হয় একান্ত উপলব্ধিৰ দ্বাৰা। মনে নিশ্চিতভাবে দেখে বা অত্যন্ত নিবিড়ভাবে উপলব্ধি কৰে। জগতৰ হাজাৰ অচিহ্নিতৰ মাজত যাৰ ওপৰত আপোন স্বাক্ষৰৰ শিল-মোহৰ দিয়ে আৰু যাক নিজৰ চিৰস্বীকৃত সংসাৰৰ মাজত ভুক্ত কৰি লয়, সি অসুন্দৰ হলেও মনোৰম, সি ৰসস্বৰূপৰ চনদৰ অধিকাৰী।

সৌন্দৰ্য্য প্ৰকাশেই সাহিত্য বা আৰ্টৰ মুখ্য লক্ষ্য নহয়। এই সম্বন্ধে আমাৰ দেশৰ অলংকাৰ শাস্ত্ৰত চৰম কথা কোৱা হৈছে: বাক্যং ৰসাত্মকং কাব্যম।

বাধাহীন লীলা-ক্ষেত্ৰত মানুহে নানা প্ৰকাৰ আস্বাদনেৰে নিজকে উপলব্ধি কৰিবলৈ বিচাৰিছে। সাহিত্য হ'ল এই বিচিত্ৰ লীলা জগতৰে সৃষ্টি।

অনু: তৃতীয় বাৰ্ষিকৰ এজন ছাত্ৰ



# এটা মুদ্ৰাৰ

ভবেন বেজ
প্ৰাক্-বিশ্ববিদ্যালয় বিজ্ঞান

## এক

মানুহজনৰ কপালৰ ঘামবোৰ ওলায় পৰিছিল। চোলাটো ঘামতে তিতি যোৱাত মানুহজনৰ ফটা বনিয়নটো সুন্দৰকৈ ওলাই পৰিছিল। চোলাটোৰ পিঠিফালে বেজীৰে চিলাই লোৱাৰ চিন আছে। কাপোৰ-কানিবোৰ পৰিস্কাৰ যদিও ঘামতে তিতি যোৱাত খুব মলিয়ন যেন দেখা গৈছিল আৰু তাৰপৰা এটা দুৰ্গন্ধও ওলাইছিল। ভবিৰ পাম-চু জোৰত বহুত দিন ৰং সনা নাই। তদুপৰি মেৰামতি কৰোৱাৰ সময়ো হৈছে। ডাঢ়ি আৰু চুলিবোৰ যথেষ্ট দীঘল হোৱাত মানুহজনৰ মুখখন বৰ ৰুক্ষ যেন লগা হৈছিল। মানুহজন ক্লান্ত হৈ পৰিছিল। মুখখনত নানাধৰণৰ চিন্তাই জুমুৰি দি ধৰা যেন অনুমান হৈছিল। মানুহ জনে সোঁ হাতত এটা মলিয়ন বজাৰ কৰা মোনা লৈ খুব সাৱধানে খোজ দি যেতিয়া গ্ৰাহক সমবায় ভাণ্ডাৰৰ সমুখ পাইছিলহি তেতিয়া সময় পুৱা নটা চাৰে নটাৰ ভিতৰত। মানুহৰ ভিৰ ঠেলি খুব কষ্টেৰে আগবাঢ়ি গৈ মানুহজনে মেনেজাৰজনৰ ওচৰত থিয় হল। তেনেদৰে আগত গৈ থিয় হোৱাত আগৰে পৰা বৈ থকা মানুহবোৰে প্ৰবল আপত্তি দৰ্শালে। মানুহজনে মানুহবোৰৰ ফালে চাই ম্লান হাঁহি এটা মাৰি অলপ সময় কিবা এটা যেন ভাবিলে আৰু তাৰ পিচত মেনেজাৰৰ ফাললৈ চাই কলে—

: অলপ চাউল দিব নেকি মেনেজাৰ ?

: নাই।

: অলপো নাইনে ?

: একেবাৰে নাই। চাওকচোন কিমানবোৰ মানুহ বৈ আছে। মেনেজাৰজন অলপ বিৰক্ত হৈছিল।

মানুহজনে ডিঙিটো মেলি চাউলৰ বস্তা থকা ঠাই ডোখৰৰ ফালে চাই কলে—

: সৌৱা আছে দেখোন !

: আছে, কিন্তু এইবোৰ মানুহক দিওতেই শেষ হব। মেনেজাৰৰ বিৰক্তিৰ সীমা নোহোৱা হৈছিল।

: মোকো অলপ দিয়ক ! মানুহজনে কওঁ-নকওঁ-কৈ কলে।

: সেয়া, আপোনালোকে নুবুজে কিয় ? ইমানবোৰ মানুহ বৈ আছে। এইখিনি চাউলৰে ইমানবোৰ মানুহক দিব পৰা হয়নে নহয় সন্দেহ। তথাপি যদি বৈ যায় আপোনাক দিম বাৰু। মেনেজাৰজন প্ৰথমে অধৈৰ্য্য হলেও পিচত শান্তভাবেই কথাখিনি কলে।

: পাঁচ কিলো মান দিলেই হ'ব। নহলে তিনিকিলোকে দিয়ক। মানুহজনে অনুৰোধৰ সুৰত কলে।

: একিলোও নোৱাৰো। কাৰ্ড আছে নেকি ?

: নাই।

# দুটা পিঠি

ঃ তেনেহলে একেবাৰে নোৱাৰো। এইবোৰতো কাৰ্ড থকা মানুহ।

এবা কাৰ্ড থকা মানুহ। কাৰ্ড থকা মানুহে চাউল পায় আৰু নথকাবোৰে ? মানুহজনে মনে মনে ভাবিলে। কিছুসময় তেনেদৰে ভাবি থাকি এটা সময়ত মানুহজন তাৰপৰা ওলাই আহিল। বাস্তাৰ কাষত মানুহজন অলপ সময় ব'ল, তাৰ পিচত কিবা এটা যেন ভাবিলে। হয়তো ভাবিলে—'আজি আৰু অফিচলৈ যোৱা নহব, চাউলতো নিবই লাগিব। কিন্তু ক'ব পৰা নিয়া যায় ? হঠাৎ মানুহজনৰ কিবা এটা মনত পৰাৰ দৰে কোনোফালে নোচোৱাকৈ বৰ বেগাই গুচি গ'ল। বজাৰখনৰ ইটো মূৰে শৰ্ম্মাৰ দোকান। মানুহজন গৈ শৰ্ম্মাৰ দোকানৰ ওচৰ পালে। এইখন দোকানৰ সমুখতো মানুহৰ যথেষ্ট ভিৰ। সকলোৰে এটাই আশা, এটাই উদ্দেশ্য। চাউল লাগে। অলপ চাউল। অলপ চাউল পালেই এই মানুহবোৰ সন্তুষ্ট হব।

মানুহবোৰে শৃঙ্খলা ৰাখিবৰ বাবে এটা দীঘলকৈ শাৰী পাতিলে। শাৰীটো বহুত দীঘল হ'ল। মানুহজনেও শাৰীটোৰ মাজত অকণমান ঠাই অধিকাৰ কৰি থিয় হ'ল। ডিঙি মেলি তেওঁৰ আগত কিমান মানুহ আছে চাই ললে। 'যা-হওক, এতিয়া আৰু ভয় নাই। যিমানপৰ বৰ লাগে বম। আজিতো চাউল নিবই লাগিব।' অলক্ষিতে মানুহজনৰ এটা হুমুনিয়াহ ওলাই আহিল। লগে লগে মানুহজনৰ মুখখন উজ্জ্বল হৈ পৰিল। ইমান কষ্টৰ পিচত অলপ চাউল পোৱাৰ তীব্ৰ আশাত মানুহজনৰ মন উৎফুল্ল হৈ উঠিল। মানুহজনে ওপৰৰ জেপটোত হাত দি চালে। ঠিকেই আছে টকাকেইটা। কিমান চাউল নিয়া যাব। 'পাঁচ কিলো' মানুহজনে সিদ্ধান্ত কৰি পেলালে। তাৰ পিচত মানুহজনে দোকানৰ ভিতৰত থকা চাউলৰ বস্তা কেইটাত দৃষ্টি নিবদ্ধ কৰি কিবা এটা যেন ভাবিলে। হয়তো আহিবৰ সময়ত সৰু কণমান পুতেকটোৰ কৈ অহা কথাখিনি মানুহজনৰ আকৌ এবাৰ মনত পৰিল—'আজি আনিম সোণ ! চাউল আজি আনিম দেই।' মানুহজনে আকৌ এবাৰ কোনেও নদেখাকৈ হাঁহিলে।

কিছুসময় বোৱাৰ পিচত হঠাতে যেন মানুহবোৰ উচ্ছৃঙ্খল হৈ পৰিল। মানুহবোৰে ধৰা-ধপৰা আৰম্ভ কৰি দিলে। দুই এজনে গৈ দোকানৰ ভিতৰত মাৰপিট আৰম্ভ কৰি দিলে। দোকানখন বন্ধ হৈ গল। ধৈৰ্য্যৰো সীমা আছে। কিমান সময় ধৈৰ্য্য ধৰি থাকিব মানুহবোৰে ? কোনোবা এজনৰ মূৰো ফাটিল। অৱশেষত মানুহবোৰে তাত চাউল পোৱাৰ আশা

পৰিত্যাগ কৰি আন দোকানলৈ যাবলৈ ধৰিলে। এজন এজনকৈ গৈ গৈ মানুহবোৰ এটা সময়ত শেষ হৈ গল।

মানুহজনে অলপকৈ হাঁহিলে। নোপোৱাৰ হাঁহি। মানুহজনৰ মুখখনত নিৰাশাৰ ভাব এটা ফুটি উঠিল। চকু দুটাই যেন কান্দিছিল। পানী কিন্তু ওলোৱা নাছিল। মানুহজনৰ চকুত হয়তো পানী নাছিলেই। মানুহৰ হেচা-ঠেলাৰ মাজতে মানুহজনৰ চোলাটো বেয়াকৈ ফাটি গ'ল। মানুহজনৰ কিন্তু তালৈ ভ্ৰূক্ষেপ নাই। মানুহজনৰ নিজৰফালে চোৱাৰ আৰু চাই আক্ষেপ কৰাৰ ধৈৰ্য্য তেতিয়া শেষ হৈ গৈছিল।

এইবাৰ মানুহজনে খুব বেগাই গৈ ৰহমানৰ দোকানৰ ওচৰ পালেগৈ। দুপৰীয়া প্ৰায় ১২টা মান বাজিছিল। মানুহজন ক্লান্ত হৈ পৰিছিল। দোকানত মানুহ বেছি নাছিল।

: অলপ চাউল পামনে ৰহমান চাহাব ? বুলি কৈ মানুহজন সোমাই গ'ল। মানুহজনৰ চকু দুটা উজ্জ্বল হৈ উঠিল। সকলো ক্লান্তি যেন মানুহজনে পাহৰি গল। চাউল আছে। বহুত কৃতজ্ঞতাৰে মানুহজনে ৰহমান চাহাবক টকা কেইটামান উলিয়াই দি পাঁচ-কিলো বঙা চাউল বেগটোত ভৰাই বেগাই খোজ ললে। কোনোফালে নোচোৱাকৈ মানুহজনে যিমান পাৰে বেগাই ঘৰলৈ খোজ ললে। ঘৰত যে তিনটি প্ৰাণী এতিয়াও লবোনে-ভোকে আশাৰে বাট চাই আছে। 'বঙা চাউল হ'লে কি হ'ল।' মানুহজনে নিজকে নিজে ভাবিলে। 'তেওঁ কাপুৰুষ নহয়। কাৰণ তেওঁ আজি পাঁচকিলো চাউল জোগাৰ কৰিছে। হ'ব পাৰে সেয়া বেয়া বঙা চাউল। কিন্তু সহস্ৰ দৰিদ্ৰ জনতাই তাকেইতো খাইছে। তেন্তে তেওঁ নোৱাৰিব কিয় ? তেওঁ পুৰুষ।' মানুহজনৰ শুকান ওঁঠ দুটাই আকৌ এবাৰ হাঁহিলে। আজি সাত দিনৰ পিচত তিনিটি প্ৰাণীয়ে এসাজ ভাত খাবলৈ পাব।

## দুই

প্ৰকাণ্ড লোৰ গেটখন কৰ্ কৰ্ কৈ খোল খাই যোৱাৰ লগে লগে ধুনীয়া আকাশী ৰঙৰ গাড়ীখন ভিতৰলৈ সোমাই আহিল। চকীদাৰ জনেও গতানুগতিক চেলাম এটা দি গেটখন বন্ধ কৰিবলৈ আগবাঢ়ি গ'ল। সি জানে তাৰ নালিকে তাৰ চেলাম দেখা নাই। তাৰ চেলামৰ কোনো মূল্যই হয়তো নাই। অথচ সেই চেলামটো নিদিলেই হয়তো তাৰ চাকৰিৰে শঙ্কা আছে।

মটৰখন গৈ দুমহলীয়া ঘৰটোৰ ঠিক ওচৰতে থকা মুকলি ঠাই ডোখৰত ৰ'ল। শকত-আৱট মানুহ এজন গাড়ীখনৰ পৰা নামি ওপৰ মহলালৈ উঠি গ'ল। কিছু সময়ৰ পিচত নিশাৰ আন্ধাৰত থিয় হৈ থকা দুমহলীয়া ঘৰটোৰ এটি বিশেষ কোঠাত কম পোহৰৰ লাইট এটা জ্বলি উঠি কোঠাটোৰ আন্ধাৰ-বোৰক খেদি পঠিয়ালে। মানুহজনে সৰু টেবুলখনৰ ওচৰলৈ গৈ ফোনটো হাতত তুলি লৈ ডায়েল ঘূৰালে। ইন্সপেক্টৰ নেকি........মই চলিহাই কৈছো......আপুনি অলপ পিচতে আহি মোক লগ ধৰিব পাৰিবনে......বাৰু, ধন্যবাদ। ফোনটো থৈ দিলে।

কিছুসময় বিৰতিৰ পিচত প্ৰকাণ্ড লোৰ গেটখন আকৌ এবাৰ খোল খাই গ'ল। তেতিয়া নিশা ৯টা ৯।। টাৰ ভিতৰত। ক'লা এম্বেছেদৰ গাড়ী এখন ভিতৰলৈ সোমাই যোৱাৰ লগে লগে গেটখন আকৌ বন্ধ হৈ গ'ল। প্ৰভুভক্ত এল্‌চেছিয়ান কুকুৰটোৱে তাৰ সচেতনতাৰ প্ৰমাণ দিবৰ বাবে ভুক্‌ভুকাই উঠি আকৌ নিতাল মাৰিলে। চাপৰ শকত মানুহ এজন গাড়ীখনৰ পৰা নামি বেগাই ওপৰ মহলালৈ উঠি গৈ ডাঙৰ ড্ৰইং ৰুমটোৰ কম পোহৰত বহি থকা মানুহ-জনৰ উদ্দেশ্যে নমস্কাৰ জনালে।

: নমস্কাৰ।

: নমস্কাৰ। মানুহজনে প্ৰতিনমস্কাৰ জনালে। 'আহক ভিতৰলৈ। মই আপোনালৈ বৈ আছো।'

আগন্তুকে মিচিকিয়া হাঁহি এটা মাৰি ভিতৰলৈ সোমাই গৈ চোফা এখনত বহি পৰিল।

: চাপ্লাই বিভাগত থাকি আপুনি বেছ শকত হৈ পৰিল।

: আপুনি একেটা কথাকে কৈ কৈ মোক সদায়

সদায় কিয় লাজ দি থাকে বাৰু ? দুয়োজনে ডাঙৰকৈ হাঁহি দিলে।

: কওকচোন আপোনাৰ খবৰ বাতৰি। কিবা নতুন ঘটনা ঘটিছে নেকি ?

: তেনে কোনো উল্লেখযোগ্য ঘটনা ঘটা নাই। পিছে মোহনলালক আজি ধৰিলে।

: সৰ্ব্বনাশ! কেনেকৈ ? কেতিয়া ? চলিহাই চিঞৰি উঠিল। হেজাৰটা প্ৰশ্নবোধক চিনে চলিহাৰ চকুত ভিৰ কৰিলেহি।

: দুপৰীয়া সময়ত। হঠাতে কিছুমান ছাত্ৰ গৈ গুদাম খানাতালাচ কৰি ৪৭ বস্তা চাউল লৈ গৈছে।

চলিহাৰ মুখখন শুকাই গৈ এটা বিকৃত ৰূপ ধাৰণ কৰিলে। মুখেৰে এটা শব্দও নোলাল।

: পিছে বাকী ৮২ বস্তা এতিয়াও পোৱা নাই। সেইখিনি বোধহয় নাপাবও।

চলিহাৰ মুখলৈ যেন পানী আহিল। হওক তেওঁ ৰক্ষা। নহলে যে তেওঁৰ্ঁ। লঘোনে থাকিব-লগীয়া হ'লহেতেন। 'হে ভগবান, বাকীখিনি যেন সিহঁতে বিচাৰি নেপায়। মোহনলালে যেন সোনকালে খালাচ পায়।' চলিহাই মনে মনে ভগবানক প্ৰাৰ্থনা জনালে।

: মানুহবোৰ শান্ত হৈছেনে ?

: নাই, এইবোৰক সন্তুষ্ট কৰাই টান। পালেও সন্তুষ্ট নহয়, আৰু লাগে। নাপালেতো মূৰতে কোবাব খোজে। ইহঁতক যে কিহেৰে সন্তুষ্ট কৰিব পাৰি মই একো ভাবিয়ে পোৱা নাই।' বৰ বিৰক্তিৰে ইন্সপেক্টৰজনে কলে।

: এৰা অসমীয়াবোৰ তেনেকুৱাই। চলিহাই হয়তো পাহৰি গল যে তেওঁ নিজেই অসমীয়া। অলপ বৈ আকৌ কলে— 'আটাৰ ব্যৱস্থা নকৰে কিয় ?

: আটা available যিমান লাগে সিমান পাব। পিছে সিহঁতক চাউলহে লাগে। আটা ব্যৱহাৰ কৰিলে যে কি হয় মই একো বুজিব পৰা নাই। অৱশ্যে প্ৰথম দুদিনমান পেটৰ অসুখ হব পাৰে। কিন্তু পিছত ঠিক হৈ যাব। নহয় জানো চলিহা'। ইন্সপেক্টৰে চলিহাৰ উত্তৰলৈ অপেক্ষা কৰিলে।

: নিশ্চয়। অভ্যাস কৰিলে চব ঠিক হৈ যাব। অইন ঠাইৰ মানুহেতো আটাই খায়। অসমৰ মানুহৰহে আটা খোৱাত আপত্তি।

কিছুসময় দুয়ো নিস্তব্ধ হৈ ৰ'ল। ৱালক্লকটোৱে ১১টা বজাৰ সংকেট দিলে। চলিহাই কিবা এটা যেন ভাবিলে। তাৰ পিচত নিস্তব্ধতা ভঙ্গ কৰি ইন্স-পেক্টৰলৈ চাই কলে—

: পিছে আপোনাক মতাই অনাৰ কাৰণ নিশ্চয় বুজিব পাৰিছে ?

: নিশ্চয় পাৰিছো। ইন্সপেক্টৰে চলিহালৈ চাই অকণমান হাঁহিলে।

: তেনেহলে কেতিয়া হব ?

: কাইলৈ নিশা দি পঠিয়াম।

: কিমান ?

: বেছি নোৱাৰো। কাৰণ students বিলাকে পিয়া পি দি ফুৰিছে। গতিকে এক বা দুই বস্তামান দিবলৈ চেষ্টা কৰিম।

চলিহাই সপ্ৰশংস দৃষ্টিৰে এবাৰ ইন্সপেক্টৰলৈ চালে। অলপ সময় বৈ কলে—'কোনটো ?'

: পাৰো যদি জহাটোকে দিম।

: ধন্যবাদ। পিছে যোৱাবাৰৰ দৰে নকৰিব দেই। কাৰণ জানেইতো মই মোটা চাউলটো একে-বাৰে খাব নোৱাৰো। তদুপৰি আটা ব্যৱহাৰ কৰিবও নোৱাৰো। ল'ৰা-ছোৱালী থকা ঘৰ। তাতে আকৌ আটাবোৰো ভাল নহয়। হঠাৎ বেমাৰ আদি হৈ যায় বুলি ভয় লাগে। আৰু এই যে ৰঙা গোন্ধোৱা চাউলটো। ছিঃ তাকনো মানুহে খায়নে ? কুকুৰ-টোৱেও সেই চাউল ৰান্ধি দিলে নেখাব। গতিকে আপোনাকে কৈছো।


: আপুনি মোক একেবাৰে ওপৰত তুলি দিলে চলিহা। পিছে মোৰটো চাউলৰ গুদাম নাই। অইনৰ পৰা অনাবহে লাগিব।' দুয়ো সশব্দে হাঁহিলে

সেই হাঁহিৰ শব্দ যেন বহুত দূৰলৈ ভাঁহি গল। 'বাৰু মই এতিয়া উঠোহে।'

চলিহাই ইন্সপেক্টৰক চিবিৰ মুখলৈ আগবঢ়াই থলে। চাপৰ শকত-আবট মানুহজনে মুখত এমো-কোৰা হাঁহি লৈ চিবিৰে নামি আহিল। ক'লা এম্বেচেদৰ গাড়ীখন বিৰাট লোৰ গেটখনেদি ক্ষন্তেক পিচতে ওলাই গৈ নিশাৰ আন্ধাৰত অদৃশ্য হৈ পৰিল আৰু নিশাটোৰ বাবে প্ৰকাণ্ড গেটখন সশব্দে বন্ধ হৈ গ'ল।

চলিহাৰ ওঁঠ দুটাত উজ্জ্বল হাঁহি এটা বিৰিঙি উঠিল। তেওঁ কাপুৰুষ নহয়। তেওঁ পুৰুষ। তেওঁ এই আকালৰ দিনতো দুবস্তা চাউল যোগাৰ কৰিছে। চাউলৰ বাবে চিঞৰি থকা সহস্ৰ জনতাৰ মাজতে উদ্যোগপতি চলিহাই দুবস্তা জহা চাউল যোগাৰ কৰিলে। কথাটো ভাবি চলিহাৰ ভাল লাগি গ'ল।

নিশা তেতিয়া বহুত। চলিহাৰ ঘৰৰ আটাই-বোৰ লাইট নুমাই গৈছে। নিশাৰ অন্ধকাৰত উদ্যোগ-পতি চলিহাৰ প্ৰকাণ্ড দুমহলীয়া ঘৰটোৱে শত-সহস্ৰ দৰিদ্ৰ জনতাক উপহাস কৰি দৈত্যৰ দৰে থিয় হৈ থাকি যেন নিজৰ জয় ঘোষণা কৰিছে।





# অসম কেশৰী

# অম্বিকাগিৰী

অধ্যাপক **দুৰ্গেশ্বৰ শৰ্ম্মা**

অসম-কেশৰী অম্বিকাগিৰী এজনা বহুমুখী প্ৰতিভাৰ লোক। তেওঁ একেধাৰে গায়ক, গীতিকাৰ, অভিনেতা আৰু ভ্ৰাম্যমান যাত্ৰা দলৰ সুদক্ষ পৰিচালক। তেওঁ কবি, নাট্যকাৰ, প্ৰাৱন্ধিক আৰু সাংবাদিক। তেওঁ এজন বিচক্ষণ ৰাজনীতিজ্ঞ আৰু সংৰক্ষিণী বাহিনীৰ যাদুকৰী সংগঠক। এই সকলো প্ৰকাৰ ক্ষেত্ৰৰ অন্তৰালেদি স্বদেশ হিতৈষণাৰ ফল্গুধাৰা অবাৰিত-ভাৱে প্ৰবাহিত হৈছে। দেশেই তেওঁৰ ধৰ্ম্ম, কৰ্ম্ম, দেশেই ভগৱান, দেশেই সকলো। এয়ে তেওঁৰ জীৱন দৰ্শন। দেশৰ জনগণক জাতীয়তাৰ বেদমন্ত্ৰত দীক্ষিত কৰাত তেওঁৰ বৰঙণি অপৰিসীম।

স্বাধীনতা ৰণৰ তেওঁ অক্লান্ত যুঁজাৰু। প্ৰাক্ স্বাধীনতা কালত তেওঁ ৰচনা কৰা "বন্দিনী ভাৰত" নাট আৰু 'শতধাৰ' বৃটিছ চৰকাৰে বাজেয়াপ্ত কৰিছিল।

'বীণা', 'তুমি', 'অনুভূতি', 'বন্দো কি ছন্দেৰে', 'তই স্থাপন কৰ—স্থাপন কৰ' আৰু 'বেদনাৰ উল্কা' তেওঁৰ উল্লেখযোগ্য কবিতাৰ পুথি। প্ৰায়খিনি গ্ৰন্থৰ মাজেৰে জাগ্ৰত স্বদেশ প্ৰেমৰ একোটি তুৰ্য্য-নিনাদ প্ৰতিধ্বনিত হৈছে।

'আহুতি' আৰু 'ডেকা-ডেকেৰীৰ বেদ' তেওঁৰ বিখ্যাত প্ৰবন্ধ সঞ্চয়ন। আহুতি অসমীয়াৰ স্বৰাজ, ভাৰতীয়ৰ স্বৰাজ, বিশ্বশান্তি, ব্যক্তি স্বাধীনতা আৰু জাতীয়তা সম্পৰ্কে গভীৰ আলচৰ নিবন্ধন। ডেকা-ডেকেৰীৰ

বেদতো অসমৰ নিজস্ব ৰক্ষাৰ আকুল আবেগ প্ৰাণ-স্পৰ্শী ভাষাত নিবদ্ধ হৈছে। এই গ্ৰন্থত কোৱা হৈছে যে যি কোনো প্ৰকাৰৰ সামাজিক, ৰাজনৈতিক ভাষাগত, সংস্কৃতিগত, ধৰ্ম্মগত, দেহগত, মানসিক শোষণ আৰু আক্ৰমণক মৃত্যু-মহাব্যাধি বুলি ভাবিব লাগে আৰু তাৰ নিৰ্ম্মূল সাধিত হব লাগে। তেওঁ অসমক ভাল পোৱাৰ মাজেদি ভাৰতক আৰু ভাৰতক ভাল পোৱাৰ মাজেৰে বিশ্বক ভাল পাবলৈ বিচাৰিছিল। এয়ে আছিল ৰায়চৌধুৰীবাদৰ মূল তত্ত্ব। বহুতে এই তত্ত্বৰ মৰ্ম্ম ভেদ কৰিব নোৱাৰিছিল কাৰণে ডেকাগিৰীক প্ৰাদেশিকতাবাদত উদ্বুদ্ধ ব্যক্তি বুলি বিদ্ৰূপ বাণ মাৰিছিল। কিন্তু এই বাণত অসম-কেশৰী ধৰাশায়ী হোৱা ব্যক্তি নহয়। বৰং এনে অন্তঃসাৰ শূন্য সমালোচক যুক্তিক্ষেত্ৰৰ পৰা ছত্ৰভঙ্গ দিবলৈ সবহ সময় নেলাগিছিল। প্ৰতিপক্ষৰ এনে আকস্মিক ছত্ৰভঙ্গই চৌধুৰীবাদৰ মৌলিকতা নিষ্পন্ন কৰিছিল।

এসময়ত 'কল্যাণময়ী' নামৰ এখনি নাটকো তেওঁ ৰচনা কৰিছিল। তেওঁৰ মানসিক দৃঢ়তা আৰু আত্ম-বিশ্বাস অনন্যসাধাৰণ। মাথোন দুটকা মূলধন লৈ অৰুণা প্ৰেছ স্থাপন কৰি তাৰেপৰা 'চেতনা' আৰু 'ডেকা অসম' সংবাদ-পত্ৰ প্ৰকাশ কৰিছিল। চেতনা আলোচনীয়ে অসমীয়াৰ প্ৰাণত জাতীয় চেতনাৰ উন্মেষ কৰিছিল আৰু ডেকা অসমে অসমৰ জনগণক জাতীয়তা সংৰক্ষণৰ ভাৱত উদ্বুদ্ধ কৰিছিল।

অসমৰ এখনি নিখুঁত ছবি তেওঁৰ অন্তৰ দাপোণত ভাহি উঠিছিল। সেইখন ছবিৰে বাস্তৱ ৰূপ দিবলৈ লওঁতে অসমৰ স্বাৰ্থৰক্ষা আৰু অসমৰ সৰ্ব্বপ্ৰকাৰ উন্নতিৰ কথা অসম কেশৰীয়ে বাৰম্বাৰ চিন্তা কৰিলে। তাৰ ফলত ১৯২৬ চনত অসম সংৰক্ষিণী সভাৰ জন্ম হ'ল। কিন্তু এটা দশকৰ পিছত সেই সভা তেওঁ স্বইচ্ছাৰে ভঙ্গ কৰি দিলে।

অসমৰ উন্নতি তেওঁৰ জীৱনৰ পণ। এই পণ ভঙ্গ হলে তেওঁৰ জীৱনেই বা ক'ত? সংৰক্ষিণী সভা ভঙ্গ হোৱাৰ কেইদিনমান পিচতে ডেকাগিৰি অম্বিকাগিৰীয়ে অসমত বাসকৰা নতুন অসমীয়া, অনা-অসমীয়া সকলৰ মাজত আৰু পাৰ্ব্বত্য অঞ্চলত অসমীয়া ভাষা প্ৰচাৰৰ মহান আদৰ্শ আগত ৰাখি অসম শিক্ষা প্ৰচাৰ সমিতি স্থাপন কৰে। এই সমিতিৰ উদ্যোগত অসম-বঙ্গৰ সীমাত আৰু পাৰ্ব্বত্য অঞ্চলত প্ৰায় ১৫০ খনমান স্কুল স্থাপন কৰি অসমীয়া ভাষা শিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। ইয়াৰ মাজেৰে অসমীয়া ভাষাৰ প্ৰতি থকা তেওঁৰ প্ৰগাঢ় ভালপোৱা ভাবৰ আভাস এটি ফুটি উঠিছে।

পৰাধীনতাৰ গ্লানি তেওঁৰ অন্তৰে সহ্য কৰিব নোৱাৰিছিল আৰু সেই কাৰণে দেশৰ মুক্তি সংগ্ৰামত জপিয়াই পৰি একাধিকবাৰ কাৰাবাস খাটি-ছিল। অসমীয়াৰ প্ৰাণত আত্ম-চেতনা জগাই তোলাৰ কাৰণে আৰু অসমীয়া লোক-সাধাৰণক মুক্তি সংগ্ৰামৰ বেদ-বাণীত উদ্বুদ্ধ কৰাৰ কাৰণে ডেকাগিৰীয়ে অসম জাতীয় মহাসভা গঠন কৰিছিল।

তেওঁৰ দূৰদৰ্শিতা অতুলনীয়। জাতীয় স্বাৰ্থত সামান্য আঘাত লাগিলেই তেওঁৰ প্ৰাণে বিপ্লৱ কৰি-ছিল। ১৯৪০-৪১ চনৰ পিয়লৰ সময়ত তেওঁ গোটেই অসম পৰিভ্ৰমণ কৰি স্বাৰ্থজড়িত মহলৰ ষড়যন্ত্ৰ ওফৰাই দি অসমৰ জাতীয় স্বাৰ্থ অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হৈছিল। এইজনেই আছিল অসম কেশৰী অম্বিকাগিৰী যাৰ জীৱনেই আছিল অসমৰ জাতীয় জীৱনৰ মহাবাণী। এইজন ব্যক্তি অবিনশ্বৰ, অমৰ। তেওঁৰ অমৰ বাণীৰ মাজেৰে তেওঁৰ জীৱনৰ অমৰত্ব ঘোষিত হৈছে।



# দুৰৰা আৰু প্ৰকৃতি

**পৰমেশ শীল**
১ম বাৰ্ষিক, কলা

যতীন্দ্ৰনাথ দুৱৰাৰ কবিতাত প্ৰকৃতিৰ স্থান গৌণ। দুৱৰা আত্মকেন্দ্ৰিক কবি। তেওঁ নিজৰ ভাবতে বিভোৰ। বাহিৰৰ জগতখনৰ প্ৰতি চকু দিয়াৰ অৱসৰ তেওঁৰ নাই। সমগ্ৰ জীৱন বিয়পি থকা এক কাৰুণ্য আৰু বিফলতাই তেওঁক অধিক আত্মকেন্দ্ৰিক কবি তুলিলে। তথাপি তেওঁৰ কবিতাত ঠায়ে ঠায়ে প্ৰকৃতি বিষয়ক মনোৰম বৰ্ণনা আছে। কিন্তু এই বৰ্ণনা প্ৰকৃতিৰ কোনো এটি নিৰ্দ্দিষ্ট বিষয় লৈ কৰা হোৱা নাই।

দুৱৰাৰ 'পখিলা', 'অনন্ত', 'নাৱৰীয়া যায় ভটিয়াই' 'গুপ্তৱেকত' আদি কেইটিমান কবিতাত প্ৰকৃতিৰ একোখনি জীৱন্ত চিত্ৰ পোৱা যায়। 'পখিলা' কবিতাটিত কবিয়ে এটি পখিলাৰ অকলশৰীয়া জীৱনৰ ইতিহাস ৰচনা কৰিছে। 'অনন্ত' নামৰ কবিতাটিত সৃষ্টি পাতনিৰে পৰা প্ৰকৃতিৰ বুকুত ঘটা সকলৰ পৰিবৰ্ত্তনৰ ৰূপ ফুটি উঠিছে। ইয়াত হাবিৰ মাজত এজাৰে কুঁহি মেলিছে; নিজৰাৰ পাৰত বহি বন-কুঁৱৰীয়ে গীত গাইছে। সেই নিজৰাটি হিমৰ মাজেৰে নামি আহি জগতখনক এটি ৰূপালী সোঁতেৰে বুৰাই পেলাইছে। আকাশত বিবিঙি উঠিছে সাতৰৰণীয়া ইন্দ্ৰধনু। তাৰ পোহৰত তলৰ পৃথিবীত সাতৰঙৰ ঢৌ উঠিছে। মধুৰ কাকলিৰে গান গোৱা বনৰ চৰাই ফুলকুঁৱৰীৰ ৰূপত মুগ্ধ হৈছে। 'নাৱৰীয়া যায় ভটিয়াই' নামৰ কবিতাটিত কবি ভটিয়াই গৈছে লবালিৰ দিনবোৰলৈ; মনত পেলাইছে আপোন গাৱঁখনিৰ এটি মনোৰম দৃশ্য। বসন্তৰ ফুলকুঁৱৰীয়ে তাত কোঁচ ভৰি মাধুৰী বিলাইছে। উজনিৰ পৰা নৈৰ বুকুৰে নাৱৰীয়া ভটিয়াই গৈছে। পদূলিমুখৰ শেৱালি জুপিৰ ফুল শৰতকালত তল ভৰি সৰিছে। বাঁহ গছৰ সুকুঙাৰে পুৱাৰ সূৰুযৰ ৰাঙলী কিৰণ আহি চোতালত পৰিছে;—যেনে এখন ফুলবছা বিহাৰ আঁচলহে।

"এতিয়াও পুৱাৰ কিৰণে
বাঁহনীৰ মাজে সুকুঙাই,
জালিকটা বিহাৰ আঁচল
চোতালত পাৰি থৈ যায়।"

সেই ৰ'দত এহাল শবালিয়ে সিহঁতৰ পাখি ৰ'দাইছে। গাৱঁৰ জীয়াৰী-বোৱাৰীয়ে ভৰা কলহ কাষত লৈ নৈৰ ঘাটত থিয় হৈ একেথৰে চাই আছে ভটিয়াই যোৱা নাওখনিলৈ। সেই নদীৰে বালি-চাপৰিত গাৱঁৰ ডেকা লৰাই বালিভাত খাইছে। লাহে লাহে বেলি লহিয়াইছে। গৰু-গাই খেদি লৈ গৰখীয়া নিজ ঘৰলৈ উভতি আহিছে। সন্ধিয়া নামি আহিছে। ঘৰৰ লখিমীয়ে বিহাখনি ডিঙিত মেৰাই তুলসীতলত আথেবেথে শলিতাগছি জ্বলাইছে। চাৰিওফালে নীৰৱতা। আকাশত এটি দুটিকৈ তৰা জিলিকি উঠিছে।

এখনি গাওঁ আৰু সেইখন গাৱঁৰ নৈসৰ্গিক দৃশ্যৰাজিৰ এখন নিখুঁট চিত্ৰ অঙ্কিত হৈছে। তেওঁৰ আন এটি কবিতা 'গুপ্ত-বেকত'ত প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা আছে। এই কবিতাটিত এহালি চৰায়ে ডালত বহি ঠোঁটিত ঠোঁট লগাই মৰম বিলাইছে। পাতৰ আঁৰৰ পৰা ওলাই আহি ফুলে হিয়া উদঙাই দিছে। কৰবাৰ পৰা এটা ভোমোৰা আহি ফুলৰ মৌ 'চুহিছে'। নীল আকাশৰ তলত ৰংমনে পখিলাই পাখিত পোহৰ সানি-উৰি ফুৰিছে। বসন্তৰ মৃদু মলয়াত কুঁহিপাত ধীৰে ধীৰে কঁপি উঠিছে। বুকুত ৰূপালী ৰহণ সানি নৈয়ে সাগৰৰ পিনে গতি কৰিছে।

উল্লেখিত কবিতাকেইটাৰ বাহিৰে আন কোনো কবিতাত এনেধৰণৰ প্ৰকৃতিৰ বৰ্ণনা পোৱা নাযায়। কিন্তু তেওঁৰ প্ৰতিটো কবিতাতে প্ৰকৃতিৰ খণ্ড-চিত্ৰ একোটি পোৱা যায়। এই খণ্ড-চিত্ৰবোৰ কবিৰ ব্যক্তি-মানসৰ বিভিন্ন ভাৱ অনুভূতিৰে দীপ্ত। ব্যক্তিগত জীৱনত কবি দুৰৱা শিশুৰ দৰে,—অলপতে ঠেহ পাতে আৰু অলপতে সন্তুষ্ট হৈ আনন্দত কিৰীলি মাৰে। কিন্তু তেওঁৰ জীৱনত পোৱাতকৈ নোপোৱাৰ ভাগ বেছি। যেতিয়াই কিবা অলপ পোৱাৰ আশাৰ ৰেঙণি দেখিছে তেতিয়াই তেওঁৰ কবিতাত প্ৰকৃতি উচ্ছল। নোপোৱাৰ বেদনা তথা নিৰাশাৰ ভাবটো গাঢ় হৈ অহাৰ লগে লগে প্ৰকৃতিও নীৰৱ হৈ পৰিছে।

"ধূনীয়া জোনাক ৰাতি যোৱা আগবাঢ়ি
তৰাই হাঁহিৰে দিব বাট দেখুৱাই"—

বুলি কবিয়ে আপোন সুৰৰ আৰম্ভণিতে আমাক জোনালী ৰাতি এটা আৰু তৰাভৰা আকাশ এখনৰ ৰতৰা দিছে।

"জহ জাৰ বাৰিষাই যোগায় সমল
সেউজীয়া ধৰণী কোলাত;
শৰতে গোটাই আনে শুকুলা ডাৱৰ
বসন্তই কুঁহি ফুল পাত।"
—আপোন সুৰ।

'শৰতে গোটাই আনে শুকুলা ডাৱৰ' বোলোতেই শৰতৰ স্নিগ্ধতা অনুভৱ কৰা যায়। কম কথাৰে এটা পৰ্ণ চিত্ৰ অঁকাত কবি সিদ্ধহস্ত। সামান্য ইঙ্গিত মাত্ৰ দিয়েই আমাৰ মানস চক্ষুত প্ৰকৃতিৰ সুন্দৰ ৰূপ এটা জিলিকাই তোলাত তেওঁ সক্ষম হৈছে।

"পথাৰৰ লখিমীয়ে বতাহত হালে জালে
পুৱাৰ নিয়ৰে দিয়ে আঁৰ ওৰণিৰ;
সোণোৱালী সহচৰ দুপৰীয়া হাঁহিটিত
চেৱে চেৱে নাচি উঠে হিয়া দাউনীৰ।"
—নোহোৱা সমল।

ইয়াতকৈ বেছি বৰ্ণনাৰ প্ৰয়োজন নাই। আঘোণৰ পথাৰত সোণবৰণীয়া ধানে মলয়াৰ তালে তালে হালিজালি নাচিছে। ৰাতিপুৱা নিয়ৰৰ টোপালবোৰ তাৰ ওপৰত জিলিকি উঠিছে। তাৰ ওপৰত আকৌ দুপৰীয়াৰ ৰ'দ পৰি চিকমিকনি উঠিছে। হাতত কাঁচি লৈ উলাহমনেৰে দাউনীয়ে ধান দাইছে। ইমানবোৰ কথা সৰু স্তৱক এটিতে মূৰ্ত্তিমান হৈ উঠিছে। তাৰ উপৰিও একোটামাত্ৰ বাক্যৰ আঁৰতেই অনেক চিত্ৰ থুপ পাতি থকা দেখা যায়। "কোনোবা জোনাক নিশা জুৰিৰ পাৰত তুমি আৰু মই", "সুনীল আকাশ খনি তলত কোমল দুবৰি দলিচা", "ওপৰত হাঁহি হাঁহি তৰাই পাতিলে থুল," "জোনৰ পোহৰ পৰি চিকমিক কৰি কৰি পানীৰ লহৰি নচা," "নিজম ৰাতিত শুনো তটিনী বুকুত কুলুকুলু মধুৰ ৰাগিণী," "ভালপাওঁ শৰতৰ শুকুলা ডাৱৰ," "তৰাবচা সৰগ

ফুলনি" আদি প্ৰতিটো উক্তিৰ লগতে একোটি চিত্ৰ গঁথা আছে। তেনেকৈয়ে "টুলবুল নাওঁখনি তাৰ" অথবা "মাজ সাগৰত নাওঁখনি টুলবুল" বুলিলে স্বাভাৱিকতে অকণমানি নাও এখনৰ বুকুত দূৰলৈ উটি যোৱা নাৰঁৰীয়া এটি আৰু ঢৌৰ কোবত সেই নাওখনৰ ডুবো ডুবো অৱস্থাটি মনলৈ আহে। এই সকলোবোৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনাৰ অন্তৰালত কবিৰ ব্যক্তিগত ভাৱ-অনুভূতিৰ অনুৰণন আছে।

দুৰৰাৰ কবিতাত প্ৰকৃতিৰ এটি বিষাদময় ৰূপো পোৱা যায়। মৰম আকলুৱা কবিয়ে এই পৃথিৱীত চিৰদিন অনাদৰ অৱহেলাকে পালে। লাহে লাহে সুখৰ কল্পনাৰ সলনি ঘণীভূত হৈ অহা নিৰাশাৰ বেদনা প্ৰকৃতিৰ বুকুতো স্পন্দিত হল। যেন লাহে লাহে পোহৰ শেষ হৈ আহিল আৰু আন্ধাৰৰ ডাঠ আৱৰণে দিগ্-বিদিগ্ অন্ধকাৰ কৰি পেলালে।

"সিফালে নামিছে ধীৰে শেষ ৰেখা পোহৰৰ
ইফালে উঠিছে আহি ক'লা ধোঁৱা এন্ধাৰৰ।"

অৱশ্যে অন্তৰ্নিহিত অৰ্থ যিয়েই নহওক লাগিলে সৌন্দৰ্য্যৰ ফালৰ পৰা এনে বৰ্ণনাৰ মূল্য আছে। সন্ধিয়াৰ হেঙুলি বৰণ আৰু ক'লা আন্ধাৰৰ দোমোজাত সৃষ্টি হোৱা এটি অপূৰ্ব সৌন্দৰ্য্য অঙ্কিত হৈছে আন এফাঁকি কবিতাত—

"দিনৰ দিনটো ঘূৰি আকাশী ৰথত
বেলিটিয়ে নাগিছে মেলানি,
আধা আলো আধা ছাঁই ধৰিছে আৱৰি
পৃথিৱীৰ গছলতা খিনি।"

—নাৱৰীয়া (ক)।

শৰতৰ শুকুলা ডাৱৰ, বসন্তৰ ফুলপাত আদিৰ দৰে বাৰিষাৰ ওন্দোলোৱা ডাৱৰ, শীতৰ কুঁৱলী আদিৰ বৰ্ণনাও তেওঁৰ কবিতাত আছে।

বাৰিষাৰ ওন্দোলোৱা ক'লা ডাৱৰৰ শাৰী
গুজৰি গুমৰি আহে চাৰিকাষে মোৰ।"

এই এফাঁকি কবিতাতে বৰ্ষাৰ ৰূপ জীৱন্ত হৈ ধৰা দিছে। এফালে প্ৰকৃতিৰ চিত্ৰ আনহাতে বেদনা-গধূৰ হৃদয়ৰ মৰ্ম্মস্পৰ্শী ক্ৰন্দন। আকৌ—

"কুঁৱলী আঁৰত থকা খন্তেকীয়া সূৰুযৰ
জিলিঙনি এটি আহি আকৌ নুনায়"—ইত্যাদি

শীতকালি কুঁৱলী ফালি ওলাই অহা মিঠা ৰ'দ এচেৰেঙা পোৱাৰ কামনা প্ৰকট কৰি তোলে। জাৰ-কালি গছৰ পাত সৰি তল ভৰি থাকে। পত্ৰ-পুষ্প-বিবৰ্জ্জিত এনে গছৰো এটি নিজস্ব সৌন্দৰ্য্য আছে। এই সৌন্দৰ্য্য দুৰৰাৰ কবিতাত মূৰ্ত্তিমান হৈ উঠিছে যদিও তাৰ মাজতে অকলশৰীয়া কবিৰ বেদনা থুপ খাই আছে। কিছুমান সৰু সৰু বাক্যৰে প্ৰকৃতিৰ একোটি ক্ষুদ্ৰকায় চিত্ৰ সুন্দৰকৈ অঙ্কন কৰিছে। যেনে :—

"সৰাপাত উৰি আহি কয় গছৰ কোলাত ঠাই নাই",
"কু-উ কু-উ বিষাদৰ সুৰ মাৰ গল পুঁৱতি নিশাত,
চোৱা কেনে সুন্দৰ সময় সকলোটি নীৰৱ নিমাত।"
দুয়োকাষে গছলতা নীৰৱে নিমাতে থাকি", "ঠন ধৰি উঠা ফুটুকাৰ ফুল দুনাই মৰহি যায়"

কবিতাৰ ভাষা উপমাৰ ভাষা। সেইফালৰ পৰাও দুৰৰাৰ কবিতাত প্ৰাণ-প্ৰাচুৰ্য্য আছে। প্ৰকৃতি জগতৰ সৰু সৰু বস্তু একোটা লৈয়ে তেওঁ সুন্দৰ সুন্দৰ উপমা দি গৈছে। 'বনফুল'ৰ আৱত্তণিতে "বাটৰ কাষৰ মই বননিৰ ফুল বুলি" নিজৰ নিঃসঙ্গ আৰু অনাদৃত জীৱনৰ বেদনাগধূৰ ছবি আঁকিছে। "শূন্য পৰিচয়" নামৰ কবিতাটিত কবিয়ে তেওঁৰ ক্ষত-বিক্ষত হৃদয়ৰ উপমা দিছে জেতুকা পাতৰ লগত। ভিতৰি ভিতৰি দেই-পুৰি মৰিছে অথচ বাহিৰত শান্ত, সৌম্য, সংযত। কবিৰ বিক্ত জীৱনৰ আন এটি সুন্দৰ উপমা—

"শুকান গছৰ ডাল নামাতে চৰায়ে
তাক আজি নোচোৱে ৰতাহে,
অতীতৰ মাৰ যোৱা চেনেহৰ সুৰে
নিৰিলায় বাতৰি উলাহে।"

ৱৰ্ডচ্‌ৱৰ্থৰ দৰে দুৰৰাৰ কবিতাত প্ৰকৃতি এটি সজীৱ শক্তি নহয়। প্ৰকৃতিৰ ভয়াল ৰূপটোৰ প্ৰতি আমাৰ কবিৰ আকৰ্ষণ অধিক। সাগৰৰ সৌন্দৰ্য্যই কবিক মুগ্ধ নকৰে; সাগৰৰ উত্তাল তৰঙ্গৰ মাজত তেওঁ মৃত্যুৰ বিভীষিকাহে দেখে। সাগৰৰ বুকুৰেদি নজনা-নুশুনা দেশ এখনলৈ যোৱাৰ কামনাহে

তেওঁৰ প্ৰবল। সাগৰৰ বুকুত সূৰ্য্য উদয় হোৱা বা অস্ত যোৱা সৌন্দৰ্য্যইও কবিক আকৰ্ষণ নকৰে।

দুৰৱা কবিৰ কবিতাত আটাইখিনি প্ৰাকৃতিক বৰ্ণানাৰ মাজতে কবিৰ ব্যক্তিজীৱনৰ কাৰুণ্যই প্ৰাধান্য লাভ কৰিছে। সেয়েহে তেওঁ প্ৰকৃতিৰ সকলো সৌন্দৰ্য্যৰ মাজতো যেন অতীতৰ কিবা এটি সৌন্দৰ্য্য বিচাৰি পোৱা নাই—

"আজিও উঠিছে জোন আকাশত হাঁহি হাঁহি
আজিও ফুলিছে ফুল ফুলনিত মেলি পাহি;
সকলোটি আছে একে মাথো যেন কিবা এটি
কোনোবাই নিলে হৰি অতীত জেউতি সিটি।"

# মহাপুৰুষ শ্ৰীমাধৱদেৱৰ নাট-ঝুমুৰাত নাৰী চৰিত্ৰ

খগেন্দ্ৰচন্দ্ৰ নাথ
দ্বিতীয় বাৰ্ষিক কলা

নানাভাবে ধৰ্ম্মপ্ৰচাৰ কৰিলেও মহাপুৰুষ শঙ্কৰদেৱে নাট বা ভাওনাৰ যোগেদিহে মানুহৰ মন সহজে আকৰ্ষণ কৰিব পাৰিব বুলি ভাবি কেবাখনো ভক্তিমূলক নাট ৰচনা কৰি জনসমাজৰ মাজত অভিনয় কৰি দেখুৱায়। গুৰুৰ পথ অনুসৰণ কৰি মহাপুৰুষ মাধৱদেৱেও কেবাখনো নাট-ঝুমুৰা ৰচনা কৰি অভিনয় কৰে। এওঁৰো নাট-ঝুমুৰাৰ মূল চৰিত্ৰ কৃষ্ণ; কিন্তু শঙ্কৰদেৱৰ কৃষ্ণৰ লগত মাধৱদেৱৰ কৃষ্ণৰ কিছু পাৰ্থক্য দেখা যায়। এইজনা মহাপুৰুষে কৃষ্ণক ৰূপায়িত কৰিছে বাল্য ৰূপত—সাধাৰণ মানুহৰ ৰূপত। কিন্তু ইয়াৰ অন্তৰালত লুকাই আছে—শ্ৰীকৃষ্ণৰ ঐশ্বৰিক শক্তি আৰু মহিমা। সম্ভৱতঃ তেওঁ চিৰকুমাৰ হোৱা হেতুকে তেওঁৰ নাটত বাৎসল্য ৰসৰ বাহিৰে আন ৰসক স্থান দিয়া নাছিল। ডঃ কাকতি দেৱে মাধৱদেৱক "চিৰ-কুমাৰ" আৰু "সংসাৰত্যাগী বৈৰাগী" আখ্যা দিছে। প্ৰকৃত সংসাৰত্যাগী বৈৰাগীৰো অন্তৰত অপত্য-স্নেহ থুপ খাই থাকে; তাৰে নিদৰ্শন মাধৱদেৱৰ অন্তৰত থকা বাৎসল্য-প্ৰেম। সি যিকি নহওক মাধৱদেৱৰ নাট-ঝুমুৰা কেইখন বাল-কৃষ্ণপ্ৰধান চৰিত্ৰ হলেও কৃষ্ণক কেন্দ্ৰ কৰি নাৰী-চৰিত্ৰৰ মাজেৰে ভগবান শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশ কৰিছে। তেৰাৰ দ্বাৰা ৰচিত দুই এখন নাটৰ বাহিৰে বাকী নাট-ঝুমুৰা কেইখনৰ নাৰী-চৰিত্ৰ প্ৰধান বুলিও কব পাৰোঁ।

"অৰ্জ্জুন ভঞ্জন"—নাটত যশোদা গৰাকী স্নেহময়ী, পতিভক্তিপৰায়ণা আদৰ্শ গৃহিণী, মাতৃ, অসমীয়া নাৰী। সাধাৰণতে বিবাহিত নাৰীৰ এটি কথা লক্ষ্য কৰা যায় যে সন্তানৰ দুখেই নাৰীৰ দুখ আৰু সন্তানৰ সুখেই নাৰীৰ সুখ। "অৰ্জ্জুন ভঞ্জন"ত যশোদা দধি মথি থকা অৱস্থাত কৃষ্ণই নানাভাবে নৃত্য কৰি মাক আৰু গোপীসকলক আনন্দ দি থকাত মাতৃ-যশোদাৰ অন্তৰ পুত্ৰস্নেহত আপোনপাহৰা হৈ আপোন-মনে কৃষ্ণৰ গুণানুকীৰ্ত্তন কৰিছে:

> হে বাবু শ্ৰীকৃষ্ণঃ তোহো হামাৰি কৌটি পুৰুষক পৰম দেৱতাঃ মাঠাৰ মুকুটঃ সিৰেৰ ভূষণঃ গলাৰ সাতেসৰিঃ কৰ্ণ্ণেৰ কুণ্ডলঃ কৰেৰ কঙ্কণঃ আহে বাবু তোহাৰি অৰুণ অধৰক বলাই লঞঃ মধুৰ হাস্যোৰে হুৱা মৰিয়ে জাঞঃ বাতুল চৰণক হুৱা মৰিয়ে জাঞঃ ইত্যাদি।

সাধাৰণ নাৰীৰ দৰে সন্তানৰ অকাৰ্য্যত মাতৃ যশো-দাৰো খং উঠি কৃষ্ণক বান্ধি ধৰি শাস্তি দিবলৈ বিচাৰিছিলে। কৃষ্ণক শাস্তি বিহা গম পাই গোপীসকল আহি যশোদাক কাকুতি কৰিছে শাস্তি নিদিব বুলি—

"হে মাই যশোদে : তোহাৰি ঔচন দাৰুণ হৃদয় : ওহিমাণিক পুতলি শ্ৰীকৃষ্ণ : সব গকুলক জীৱন-প্ৰাণ : তোহাৰি নিজ বালক : আহেক কোন অপৰাধে : অতয়ে ৰাগে : উদৰে কৈছন বান্ধন কৰহ :............................................................................

......আহে মাই তোহাৰি পায়ৰে লাগো : ওহি প্ৰাণধন কৃষ্ণক বান্ধবি নাহি—"

গোপীৰ এনে কাতৰ প্ৰাৰ্থনাত যশোদাৰ খং কমকচাৰি দুগুণে চৰিল। কৃষ্ণক বান্ধিবলৈ হাক দিয়া বাবে উলটি গোপীসকলকহে গালি পাৰিছে। কিন্তু কৃষ্ণ সহজে বান্ধ খোৱাবিধৰ নহয়, মাক যশোদাক জৰি বিচৰাই হায়ৰাণ কৰিহে এৰিলে। ভক্তৰ বশ্য ভগবান। অৱশেষত যেনিবা বান্ধ খালে আৰু যশোদাই উৰল এটাৰ সৈতে বান্ধি থলে। কৃষ্ণৰ দুখত গোপী-সকল ম্ৰিয়মান হ'ল। যশোদাৰ কটূক্তিত গোপীসকলে কলে—

"আহে মাই—ওহি তোহাৰি বালক : ইহাৰ তুহু বহুত অপৰাধ পাৱল : ওহিও বন্ধন মাত্ৰ : লাগে খাওা হানিয়ে কাচিয়ে খাৱ : তবে হামাৰ কি ভেল :"

নাটখনিত আমি দেখিবলৈ পাও মাতৃ হৃদয়ৰ মৰম মিহলি ক্ৰোধ, শাস্তিদান আৰু গৃহকৰ্ম্ম নিপুণতা। আনহাতে যশোদা পতিভক্তিপৰায়ণা, কিন্তু জেদি। নাটখনিৰ শেষত "নন্দ" আৰু যশোদাৰ সামান্য দ্বন্দ্বৰ অৱতাৰণা কৰি যশোদাৰ গৃহিণী-চৰিত্ৰ সুন্দৰভাৱে ফুটাই তুলিছে। নন্দই প্ৰাণ-কৃষ্ণক ভগ্ন অৰ্জ্জুন গছ দুজোপাৰ মাজত উৰলৰ সৈতে বান্ধ খাই থকা দেখি খঙত একো নাই হৈ বন্ধনমুক্ত কৰি কৃষ্ণক কোলাত লৈ গৈ যশোদাক নানাভাৱে গালি পাৰিব ধৰিলে। কিন্তু যশোদা জানো সহজে হাৰমনা বা গালি খোৱা বিধৰ নাৰী, নন্দৰ গালিৰ উপযুক্ত প্ৰত্যুত্তৰ দিছে এইদৰে—

আহে বুঢ়িয়া : কাহেক আগে ঐছন ৰাগ দেখাৱ : তোহাৰি আজি ভাৱনা চুৰ কৰব :................ ........তুহোঁ গৃহেৰ কোন অধিকাৰ : ইহাৰ ভাল মন্দ কি জানস : হামু গৃহেৰ গৃহিণী : সব অধিকাৰ হামাৰ :.......................................হামু কথা কহিতে জানু : সব লোকে মন্দ বোলব : কি কৃষ্ণক ধুৱাতে খুৱাইতে দুখ পাৱল : হামাক মাৰিতে আসা কৰে থিক : ইত্যাদি—

এইদৰে যশোদা আৰু গোপীসকলৰ কথোপ-কথন, শেষৰ ফালে নন্দ-যশোদাৰ গৃহ-কন্দলৰ মাজেদি নাটখনিৰ সমাপ্তি ঘটোৱা হৈছে। উক্ত নাটখনিত মাধৱদেৱে অসমীয়া গ্ৰাম্য জীৱন আৰু নাৰী-চৰিত্ৰ সুন্দৰভাৱে ফুটাই তুলিছে।

মাধৱদেৱৰ দ্বাৰা ৰচিত আন কেইখন নাটক নাট নুবুলি ঝুমুৰা বোলা হৈছে। ঝুমুৰা কেইখনিত একোটাহত মুহূৰ্ত্তৰ বৰ্ণনা দিছে। অৰ্জ্জুন ভঞ্জনৰ দৰে ঘটনা প্ৰধান নহয়। ঝুমুৰা কেইখনিও যশোদা আৰু গোপীসকলক কেন্দ্ৰ কৰিয়ে কৰা হৈছে। "চোৰ ধৰা ঝুমুৰা" খনিত আমি দেখিবলৈ পাও মাতৃ যশোদাৰ পুত্ৰৰ প্ৰতি থকা অপত্যস্নেহ আৰু কৃষ্ণই গোপীসকলৰ লগত কৰা চাতুৰি।

কৃষ্ণই যেতিয়া গোৱালীৰ ঘৰত সোমাই লৱণু চুৰ কৰি খালে তেতিয়া কৃষ্ণক ধৰিবলৈ গৈ এইদৰে কৈছে—

"হে কানাই : তুহু লৱণু চোৰি কৰিয়ে : বাৰম্বাৰ হামাক ভাণ্ডিয়ে জায়াসি : আজু কহা জাৱব : ৰহ ৰহ হামাকু হাতে পড়লি : তোহাৰি ভাৱনা চুৰ কৰব :"

কিন্তু কৃষ্ণ সহজে ধৰা পৰা বিধৰ লৰা নহয়; কৃষ্ণৰ মহিমা অপাৰ; ধৰিব খোজোতে বাটলৈ দৌৰি গৈ আন শিশুৰ লগ লাগি কৰলৈ ধৰিলে—

'হে গোৱাৰি সব : হামো বালকসব সহিতে : ৰাজ-মাৰগ মহ খেলাইতে থিক। তোহেঁা সব হামাক কলঙক দেখি :"

কিন্তু ইপিনে যশোদাই বহুপৰ প্ৰাণপুত্ৰ কৃষ্ণক নেদেখি যমুনাৰ পাৰে পাৰে বিচাৰি বাটত যাকে লগ পালে তাকেই কৃষ্ণৰ কথা সুধিবলৈ ধৰিলে। পথিকে কৃষ্ণৰ বিষয়ে একো কৰ নোৱাৰাত যশোদা শোকত